**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অহা ১৯ এপ্ৰিলত ৰাজ্যৰ ৫টা লোকসভা সমষ্টিত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন জিলা প্ৰশাসনে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। **ডিব্ৰুগড়** নিৰ্বাচনী জিলাত নিৰ্বাচন নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে দেশৰ নিৰ্বাচন আয়োগে ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া জয়প্ৰকাশ শিৰহাৰেক সাধাৰণ পৰ্যবেক্ষক হিচাপে নিয়োগ কৰিছে। পৰ্যবেক্ষকগৰাকীয়ে ৰাইজৰ নিৰ্বাচন সংক্ৰান্তীয় ওজৰ-আপত্তি থাকিলে 86385-45057 ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছে। তেওঁ লগতে কোনো প্ৰলোভনৰ বশৱৰ্তী নোহোৱাকৈ নিজৰ বিচাৰ-বিবেচনাৰে ভোটদান কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। **তিনিচুকীয়া** নিৰ্বাচনী জিলাৰ অন্তৰ্গত চাৰিওটা বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহৰ শেহতীয়া অৱস্থাৰ আজি পৰ্যালোচনা কৰা হয়। এই উপলক্ষে জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া স্বপনীল পালে সংশ্লিষ্ট কোষৰ ভাৰপ্ৰাপ্ত বিষয়া, চক্ৰ বিষয়া আৰু খণ্ড বিষয়াসকলৰ বিভিন্ন বিষয় সন্দৰ্ভত অৱগত হয়। এই সভাত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰতে ন্যূনতম আৱশ্যকীয় সুবিধাসমূহ উপলব্ধ হোৱাটো নিশ্চিত কৰিবলৈ আয়ুক্তগৰাকীয়ে নিৰ্দেশ দিয়ে। তেওঁ কেন্দ্ৰসমূহক বিজুলী, পানীযোগান, শৌচাগাৰ, প্ৰস্ৰাৱগাৰ, প্ৰতিবন্ধীসকলৰ বাবে ৰেম্প আদি সা-সুবিধা ৰখাটো নিশ্চিত কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে তিনিচুকীয়া নিৰ্বাচনী জিলাৰ চাৰিওটা বিধানসভা সমষ্টিত মুঠ ৬৭৯ টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰে ৫০ শতাংশ ভোটগ্ৰহণ কেন্দ্ৰতে এইবাৰ ৱেব-কাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব বুলি আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে।

**লখিমপুৰ** লোকসভা সমষ্টিৰ নিৰ্বাচনী ৰিটাৰ্নিং বিষয়াই এখন জাননীৰ জৰিয়তে আসন্ন লোকসভা নিৰ্বাচনত সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিবলগীয়া প্ৰাৰ্থীসকলৰ ব্যয় পঞ্জী নিৰীক্ষণৰ দিন ঘোষণা কৰিছে। সেই অনুসৰি অহা ৫ আৰু ১৭ এপ্ৰিলত লখিমপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আৰু ১১ এপ্ৰিলত ধেমাজি জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত দিনৰ ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ ব্যয় পঞ্জী নিৰীক্ষণ কৰা হ'ব।

**গোলাঘাট** জিলাৰ অন্তৰ্গত বোকাখাত উপ-জিলাত আজি লোকসভা নিৰ্বাচনৰ শুভংকৰ উন্মোচন কৰা হয়। ভোটদাতাসকলৰ মাজত ভোটদানৰ গুৰুত্ব সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত ছুইপ কোষৰ উদ্যোগত আজি বিন্দু নামৰ শুভংকৰটো অসমৰ অন্যতম সম্পদ এটা খড়্গযুক্ত গঁড়ক প্ৰতীক হিচাপে লৈ প্ৰস্তুত কৰা হৈছে। বোকাখাতৰ জিলা নিৰ্বাচনী বিষয়া চিমি কৰণে শুভংকৰটো উন্মোচন কৰে।

00000000

————দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এইটো পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫টাকৈ, পশ্চিমবংগ আৰু ছত্ৰিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু আৰু কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। এই পৰ্যায়ৰ বাবে কাইলৈ মনোনয়ন দাখিলৰ প্ৰক্ৰিয়া আৰম্ভ হ'ব। ৫ এপ্ৰিলত মনোনয়নসমূহ পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন ধাৰ্য কৰা হৈছে। অৱশ্যে ৬ এপ্ৰিলত জম্মু আৰু কাশ্মীৰত মনোনয়ন পৰীক্ষা কৰা হ'ব।

0000000

মাজুলীৰ ধুঁৱাহাট বেলগুৰি সত্ৰৰ ঐতিহ্যমণ্ডিত মণিকাঞ্চন সংযোগ মিলন ক্ষেত্ৰৰ প্ৰতিষ্ঠা দিৱস কালিৰেপৰা দুদিনীয়াকৈ উদ্‌যাপন কৰা হৈছে। এই উপলক্ষে কালি পুৱা পতাকা উত্তোলনৰ পাছত স্মৃতি তৰ্পন, গছপুলি ৰোপন আৰু মুকলি সভাত মণিকাঞ্চন মিলন দৰ্পন শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হয়। তদুপৰি মাজুলীৰ সাহিত্য শীৰ্ষক অনুষ্ঠানে প্ৰৱৰ্তন কৰা আঁহতগুৰি প্ৰাণ বঁটা ছগৰাকী ব্যক্তিক প্ৰদান কৰা হয়। ইয়াৰ পূৰ্বে নাম-প্ৰসংগ, গায়ন-বায়ন, ৰাস, ঝুমুৰা অভিনয়ৰ লগতে দিহানাম-বৰগীত আদি পৰিৱেশন কৰা হয়।

00000000

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

00000000

**সমাপ্ত**